2016

# ASSAMESE

ASM 2.01

## DRAMATIC TRENDS & MOVEMENTS (EAST & WEST) & ASSAMESE DRAMA

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা ঃ ১ × ১০ = ১০

(ক) মুক্তি মংগল ভটিমা কেতিয়া গোৱা হয়?

(খ) ভৱভূতিয়ে ৰচনা কৰা এখন নাটকৰ নাম লিখা।

(গ) 'কেথাৰছিছ্' শব্দটো কিহৰ লগত সংপৃক্ত?

(ঘ) 'মাদাৰ কাৰেজ এণ্ড হাৰ চিলড্ৰেন' নাটকখনৰ নাট্যকাৰ জনৰ নাম লিখা।

(ঙ) 'ৰাম বিজয়' নাট ৰচনা কৰিবলৈ কোনে শংকৰদেৱক অনুপ্ৰেৰণা যোগাইছিল?

(চ) 'জন্মযাত্ৰা' নামৰ এখন নাট শংকৰদেৱে ৰচনা কৰিছিল বুলি কাৰ চৰিত পুথিত পোৱা যায়?

(ছ) 'সমস্ত বেদান্ত সাৰ' - ভাগৱতৰ এই সত্যতত্ব মাধৱদেৱৰ কোনখন গ্ৰন্থত প্ৰকাশিত হৈছে?

(জ) ‘চোৰধৰা’ ঝুমুৰাত কেইটি গীত সন্নিবিষ্ট কৰা হৈছে?

(ঝ) অৰুণ শৰ্মাৰ ‘আহাৰ’ নাটকখনৰ লগত কোনখন বাংলা নাটকৰ সদৃশ্য দেখিবলৈ পোৱা যায়?

(ঞ) দৰঙৰ খুলীয়া ভাৱৰীয়া লোকনাট্যনুষ্ঠানৰ আংগিক ব্যৱহাৰ কৰা এখন নাটকৰ নাম লিখা।

২। চমু উত্তৰ লিখা ঃ ২ × ৫ = ১০

(ক) ‘নান্দী শ্লোক’ বুলিলে কি বুজা?

(খ) ‘এপিক থিয়েটাৰ’ৰ সংজ্ঞা দিয়া।

(গ) শংকৰদেৱৰ কোনখন নাটক কাব্যধৰ্মিতাত আৰু কোনখন নাট্যধৰ্মিতাত শ্ৰেষ্ঠ বুলি কোৱা হয়?

(ঘ) মাধৱদেৱে সংকলন আৰু সম্পাদনা কৰা গ্ৰন্থ দুখন কি কি?

(ঙ) ‘শ্ৰীনিবাৰণ ভট্টাচাৰ্য’ কোন শ্ৰেণীৰ নাটক? নাটকখনৰ নাট্যকাৰ জনৰ নাম কি?

৩। চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ × ২ = ১০

(ক) অংকীয়া নাট সূত্ৰধাৰৰ প্ৰাধান্য

(খ) শংকৰদেৱৰ নাটত কৃষ্ণচৰিত্ৰৰ বিস্তৃতি

(গ) কাব্য নাটক (Poetic Drama)

(ঘ) ‘ৰামনৱমী’ নাটকত সংলাপৰ প্ৰয়োগ

৪। অংকীয়া নাটকৰ সৈতে ব্ৰেখটীয়া নাট্যৰীতিৰ সামঞ্জস্য সম্পৰ্কত এক প্ৰবন্ধ যুগুত কৰা। ৭

অথবা

অসমৰ সামাজিক আৰু ধৰ্মীয় জীৱনত অংকীয়া নাটৰ প্ৰভাৱ কেনেদৰে পৰিছিল, এটি আলোচনা যুগুত কৰা। ৭

৫। মাধৱদেৱৰ ‘চোৰধৰা’ নাটৰ বিষয়বস্তু আৰু আংগিকৰ মাজেৰে বাৎসল্যৰস আৰু ভক্তিৰস কিদৰে সমন্বয় সাধন হৈছে, দেখুওৱা। ৭

অথবা

‘আহাৰ’ নাটকৰ নামকৰণৰ তাৎপৰ্য লিখা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬। অংকীয়া নাট আৰু সংস্কৃত নাটৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰা। ১২

৭। ‘শংকৰদেৱৰ ‘পাৰিজাত হৰণ’ নাটত ‘ভাগৱত’ৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ আৰু ঘটনা বৈচিত্ৰ্য সৃষ্টি কৰাৰ প্ৰয়াস সমন্বিত হৈছে’ — এই মন্তব্যটিৰ আধাৰত ‘পাৰিজাত হৰণ’ত ভক্তিৰ মাহাত্ম্য আৰু নাট্য বৈচিত্ৰ্য কিদৰে ফুটি উঠিছে, বিচাৰ কৰা। ১২

৮। গুণাভিৰাম বৰুৱাৰ ‘ৰামনৱমী’ নাটকত সমাজ-বাস্তৱতাৰ ৰূপায়ণ কিদৰে ঘটিছে, ফঁহিয়াই দেখুওৱা। ১২

৯। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘কাৰেঙৰ লিগিৰী’ নাটকত ৰোমাণ্টিক বিপ্লৱবাদৰ সমস্যা কিদৰে উন্মোচিত হৈছে, বিচাৰ কৰা। ১২

১০। ‘মহাৰাজ’ নাটকৰ বিষয়বস্তু উপস্থাপন আৰু চৰিত্ৰ চিত্ৰণৰীতিৰ বিশেষত্ব বিশ্লেষণ কৰা। ১২

—— × ——